ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া শৌচালয়ত প্ৰৱেশ কৰিছিল, তেতিয়া মই আৰু মোৰ দৰে এজন ল'ৰাই পানীৰ পাত্ৰ এটা দাঙি লৈ গৈছিলোঁ আৰু এটা আনাঝাহ লৈ গৈছিলোঁ, (এনেকুৱা লাঠি যিটোৰ মূৰত লোহা লগোৱা থাকে)। তেখেতে সেই পানীৰে ইস্তিঞ্জা কৰিছিল।

আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছেঃ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া শৌচালয়ত প্ৰৱেশ কৰিছিল, তেতিয়া মই আৰু মোৰ দৰে এজন ল'ৰাই পানীৰ পাত্ৰ এটা দাঙি লৈ গৈছিলোঁ আৰু এটা আনাঝাহ লৈ গৈছিলোঁ,
(এনেকুৱা লাঠি যিটোৰ মূৰত লোহা লগোৱা থাকে)। তেখেতে সেই পানীৰে ইস্তিঞ্জা
কৰিছিল।
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

আনাছ ইবনু মালিক ৰাদ্বিয়াল্লাহু আনহুৱে হাদীছটোত জনাইছে যে, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে যেতিয়া মল ত্যাগৰ উদ্দেশ্যে ওলাইছিল, তেতিয়া মই আৰু মোৰ সমনীয়া এজন খাদিমে তেখেতৰ সৈতে গৈছিলোঁ। তেওঁলোকে লগত এটা বৰ্শাৰ দৰে লাঠি লৈ গৈছিল, যাতে সেইটোক তেখেতে ছুতৰাৰ বাবে পুতি সেইটোৰ ওপৰত পৰ্দা আঁৰি দিব পাৰে অথবা এইটোক নামাজৰ ছুতৰা হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। তেওঁলোকে নিজৰ সৈতে পানী ভৰ্তি এটা চামড়াৰ পাত্ৰ বহন কৰিছিল। নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মল ত্যাগ কৰাৰ পিছত এজনে সেই পাত্ৰটো তেখেতলৈ আগুৱাই দিছিল, আৰু তেখেতে সেই পানীৰে ইস্তিঞ্জা কৰিছিল।

http://www.sunnah.global/hadeeth/as/show/3030